মহান আল্লাহৰ ওচৰত দুআতকৈ অধিক সন্মানিত বস্তু আন একো নাই।

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ মহান আল্লাহৰ ওচৰত দুআতকৈ অধিক সন্মানিত বস্তু আন একো নাই। [হাছান] [(তিৰমিজী, ইবনে মাজাহ, আহমদ)]

নবী চাল্লাল্লাহু ‘আলাইহি অছাল্লামে এই হাদীছটোত বৰ্ণনা কৰিছে যে, আল্লাহ তা‘আলাৰ দৃষ্টিত দু‘আতকৈ অধিক সন্মানিত কোনো ইবাদত নাই। কিয়নো দু‘আত আছে আল্লাহৰ অমুখাপেক্ষিতাৰ স্বীকৃতি আৰু বান্দাৰ অক্ষমতা আৰু তেওঁৰ প্রতি বান্দাৰ মুখাপেক্ষিতাৰ স্বীকাৰোক্তি।

http://sunnah.global/hadeeth/as/show/5509